**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-08 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

-------------------

উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ ইতিহাস, ভাষা, কলা, সংগীত, সাজ-পাৰ, খাদ্যাভাষ আৰু প্ৰাকৃতিক সৌন্দৰ্যই এই খণ্ডক বিশ্বৰ ভিতৰতে অনন্য কৰি তুলিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰি দিয়া ভাষণত এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে বিশ্বৰ ভিতৰতে পুৰাতন পূৰ্বোত্তৰৰ সংস্কৃতি বিচিত্ৰতাৰে ভৰপুৰ। মহাৰাজ পৃথুৰ পৰা আৰম্ভ কৰি লাচিত বৰফুকনলৈকে, বীৰ চিলাৰায়ৰ পৰা আৰম্ভ কৰি সেনা বাহিনীত যোগ দিয়া জোৱানলৈকে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া উত্তৰ-পূবৰ বীৰ পুৰুষসকলৰ ত্যাগে দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে আজিৰ এই উদ্বোধনী অনুষ্ঠান ৰাজ্যখনৰ বাবে শ্ৰী গণেশৰ আশীৰ্বাদ হিচাপে পৰিগণিত হৈছে। ভৱিষ্যতৰ অসমৰ সৈতে সংগতি ৰাখি এই ভৱনটো নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী শ্বাহে ব্ৰহ্মপুত্ৰৰ পাৰত মনোমোহা পৰিৱেশৰ মাজত নতুনকৈ নিৰ্মাণ কৰা ৰাজভৱনৰ বাবে ৰাজ্য চৰকাৰৰ ভূয়সী প্ৰশংসা কৰে।

ৰাজ্যৰ বিকাশমুখী যাত্ৰাত নৱতম সংযোজন হিচাপে ৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নতুন ৰাজভৱনগৃহত ৰাজ্যপালৰ কাৰ্যালয়, অতিৰিক্ত আয়ুক্তৰ কাৰ্যালয়, প্ৰধান ব্যক্তিগত সচিবৰ কাৰ্যালয়, সন্মিলন কক্ষকে ধৰি আন বহু সুবিধা থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেণচিক গৱেষণাগাৰ উদ্বোধন কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আগ্ৰহ মৰ্মে দেশৰ দ্বিতীয়টো ফৰেণচিক গৱেষণাগাৰ অসমত স্থাপন হোৱাটো অতি গৌৰৱৰ বিষয়। শ্ৰী শ্বাহে কয়, যে দেশৰ জনসাধাৰণৰ বাবে চাইবাৰ সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে ২০১৯ চনত দিল্লীত দেশৰ প্ৰথমটো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেন্সিক গৱেষণাগাৰ স্থাপন কৰা হৈছিল। উল্লেখযোগ্য যে, ৪৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ফৰেণচিক গৱেষণাগাৰৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাবে বিস্তৃতভাৱে ডিজিটেল অনুসন্ধানৰ সুবিধা প্ৰদানৰ লগতে আধুনিক ফৰেণচিক পদ্ধতিৰে আইন প্ৰয়োগৰ ক্ষমতা শক্তিশালী কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত সীমান্ত সুৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়ৰ পৃথক আবাসীক পৰিষৰ আৰু আই টি বি পিৰ সোণাপুৰত থকা ৩৩ সংখ্যক বেটেলিয়নৰ ৩৬০ গৰাকী জোৱানৰ বেৰেক বিষয়াসকলৰ মেচ আৰু ১০ খন বিচনাযুক্ত চিকিৎসালয় ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। তেওঁ লগতে শ্ৰীকোনাত আছাম ৰাইফলৰ মহাপৰিদৰ্শকৰ মুখ্য কাৰ্যালয়, শিলচৰৰ খনিজ গোট আৰু যোৰহাটৰ আঞ্চলিক মুখ্য কাৰ্যালয়ত প্ৰশাসনিক আৰু আবাসীক চৌহদৰ আধাৰশিলা স্থাপন কৰে।

ইয়াৰ পাছতে শ্ৰী শ্বাহে খানাপাৰাত প্ৰথম পঞ্চায়ত প্ৰতিনিধি সন্মিলনত ভাগ লয়। শ্ৰী শ্বাহে ৰাজ্যৰ প্ৰতিটো প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ নিৰ্বাচিত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ প্ৰতিনিধিক উদ্দেশি ভাষণ দিয়ে। তেওঁ এই সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰে। এই সন্মিলনতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ১ জানুৱাৰী পৰা পঞ্চায়ত প্ৰতিনিধি তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ চিকিৎসাৰ ব্যয় চৰকাৰে বহন কৰিব বুলি ঘোষণা কৰে। তেওঁ লগতে বৃন্দাবনী বস্ত্ৰ অসমলৈ লৈ অনাৰ সন্দৰ্ভতো গুৰুত্বপূৰ্ণ মন্তব্য কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ অনুষ্ঠানত অংশলৈ প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিৰ্বেদন কৰে।

০০০০

ধেমাজি জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে আজি ২০২৪ চনৰ এটা পকচো গোচৰৰ ৰায়দান কৰি ৰাজীৱ কিচকো নামৰ এজন লোকক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ১০ হাজাৰ টকা জৰিমণা বিহে। জৰিমণা অনাদায়ে অতিৰিক্ত ছমাহৰ কাৰাদণ্ডৰ নিৰ্দেশ প্ৰদান কৰা হৈছে। ৰাজীৱ কিচকোৰ বিৰুদ্ধে এগৰাকী ১৬ বছৰ অনুৰ্ধ নাবালিকাক ধৰ্ষণৰ অভিযোগত ধেমাজী আৰক্ষী থানাত গোচৰ ৰুজু কৰা হৈছিল। তদন্তকাৰী বিষয়া গীতাঞ্জলি বৰবৰাই আদালতত দাখিল কৰা অভিযোনমানাৰ ভিত্তিত ৭ জনকৈ সাক্ষীৰ সাক্ষ্য গ্ৰহণৰ পাছত আদালতে এই ৰায়দান দিয়ে।

০০০০

গোলাঘাট আৰক্ষীয়ে আজি দুই কোটি ৫৮ লাখ টকাৰ মাদকদ্ৰব্য দাহ কৰে। গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ নেতৃত্বত বগৰী জেং আৰক্ষী নিৰেশ খেলপথাৰত জব্দ কৰা নিচাযুক্ত সামগ্ৰীখিনি দাহ কৰা হয়। উল্লেখযোগ্য যে, গোলাঘাট আৰক্ষীয়ে মেৰাপানী, উৰিয়ামঘাটকে ধৰি সীমান্তৱৰ্তী অঞ্চলসমূহত নিয়মিয়াকৈ মাদকদ্ৰব্য বিৰোধী অভিযান চলাই আহিছে।

০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। অসমতো আজি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আয়োজন কৰা হৈছে।

হোজাই জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হৈছে। আজি পুৰা জিলাখনৰ লংকা মহাবিদ্যালয়ৰ ছহিদ কনকলতা বৰুৱা ইন্দোৰ ষ্টেডিয়ামত জিলাখনৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে মেজৰ ধ্যানচন্দৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ধেমাজি জিলাত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি আজি দহ কিলোমিটাৰ মাৰাথান দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিজয়ী প্ৰতিযোগীসকলক মানপত্ৰ আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হয়। ডিব্ৰুগড় জিলাত বৰবৰুৱা লেপেতকটা আঞ্চলিক ক্ৰীড়া সংস্থাৰ উদ্যোগত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত এখন প্ৰাইজমানি খোজকঢ়া প্ৰতিযোগিতা আয়োজন কৰা হয়।

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আয়োজিত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ কাৰ্যসূচীত মেজৰ ধ্যানচন্দৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেওঁৰ খেলুৱৈ জীৱনৰ ওপৰত আলোকপাত কৰা হয়।

শোণিতপুৰ জিলাতো ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে জ্যেষ্ঠ নাগৰিকৰ মাজত ৰাকাথন, যোগাভ্যাস আৰু ডবা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে এই বছৰ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ মূল বিষয়বস্তু হৈছে – **শান্তিপূৰ্ণ আৰু সৰ্বাত্মক সমাজৰ প্ৰসাৰৰ বাবে খেল-ধেমালি**। ০০০

০০০০

মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য সহায়ক, দৰিয়া গাঁৱৰ বিশিষ্ট সমাজ সংগঠক প্ৰাক্তন ক্ৰীড়াবিদ মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ আজি পুৱা পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। ১৯৭২ চনৰ পৰা ২০১১ চনলৈকে তেখেতে মাজুলী মহাবিদ্যালয়ত সেৱা আগবঢ়াইছিল। তেখেতৰ মৃত্যুত মাজুলীৰ বহু দল, সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ